# দেৰেন পেগুৰ “য়াকা মিৰেম”

**ডঃ ধীৰেণ বড়ো**

**সংক্ষিপ্ত সাৰ**

অসমৰ অন্যান্য জনজাতিসকলৰ দৰে মিছিংসকলৰ লিখিত সাহিত্য আৰু বুৰঞ্জী নাই। তাৰ মাজতে কিছুমান ঐতিহাসিক কিংবদন্তিমূলক কাহিনী বা চৰিত্ৰ আছে যি আজিও তেওঁলোকৰ মাজত প্ৰচলিত হৈ আহি আছে। যিবোৰ সময়ৰ গতিত কালৰ গৰ্ভত বিলীন হবলৈ উপক্ৰম হৈছে। মিছিংসকলৰ য়াকা মিৰেম তেনেকুৱা এজনী কিংবদন্তিমূলক চৰিত্ৰ। য়াকা মিৰেমদেশ আৰু জাতিৰ বাবে নিজৰ জীৱনটোক উছৰ্গা কৰি দিছিল। দেৰেন পেগুৱে এইগৰাকী অনন্যা নাৰীৰ জীৱনৰ আধাৰত য়াকা মিৰেম (২০১১) উপন্যাসখন ৰচনা কৰিছিল। আমাৰ প্ৰস্তাৱিত গৱেষণা পত্ৰখনত য়াকা মিৰেম উপন্যাসখন সম্পৰ্কে এটি বিস্তৃত অধ্যয়ন আগবঢ়াবলৈ চেষ্টা কৰা হ'ব।

**বীজশব্দ:** য়াকা মিৰেম, কন্দাৰ, তামেম, ত'ব, উৰাচন, বেলংগাওঁ, মান, মিছিং, মুক্তা. নোমল, লীছান পাং

১.০০ অৱতৰণিকা

মিছিংসকল অসমৰ দ্বিতীয় বৃহৎতম জনজাতি। মিছিংসকল সাংস্কৃতিকভাৱে যথেষ্ট সমৃদ্ধিশালী। অন্যান্য জনগোষ্ঠীৰ দৰে তেওঁলোকৰ মাজত বীৰ- বীৰাংগনা আছে, যিসকলে জাতিৰ উন্নতিৰ বাবে জীৱন ত্যাগ কৰিছে। য়াকা মিৰেম তেনেকুৱা এজনী মিছিং বীৰাংগনা। য়াকা মিৰেমে অত্যাচাৰী মানৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। মানৰ আক্ৰমণত পিতৃ, আত্মীয় স্বজন আৰু গাঁৱৰ মানুহক হেৰুৱাই মানৰ হাতত বন্দী হ'ব লগা হৈছিল। মানে তাইক আন আন ডেকা-গাভৰুৰ দৰে বন্দী কৰি নিজৰ দেশলৈ লৈ গৈছিল। তাই বন্দী হলেও ভয় বা নিৰাশ হোৱা নাছিলে। যাৰ ফলত শত্ৰুৰ মাজত থাকি শান্ত মগজুৰে বুদ্ধি খটুৱাই পলাই সাৰিবলৈ সক্ষম হৈছিল। মানৰ বন্দীত্বৰ পৰা পলাই হাবি, নৈ, পাহাৰ-পৰ্ব্বত, ভোকে-পিয়াহে, বিভিন্ন বাধা নেওচি অকলশৰে পুনৰ নিজৰ গাঁৱলৈ ঘূৰি আহিছিল। য়াকাই নিজৰ ইচ্ছাশক্তি ধৈৰ্য বুদ্ধি সাহসৰ বলত মানৰ বন্দীৰ পৰা পলাই আহি নিজৰ ঘৰলৈ উভতি আহিবলৈ সক্ষম হৈছিল। কিন্তু গাঁৱৰ বহু মানুহে তাইক ব্যভিচাৰী আৰু জাত যোৱা বুলি গ্ৰহণ কৰা নাছিলে। তথাপি কোনো দুখ প্ৰকাশ নকৰি ধৈৰ্য আৰু নিষ্ঠাৰে নিজৰ জাতি আৰু মানুহৰ উন্নতিৰ বাবে কাম কৰি জীৱনটো উছৰ্গা কৰিলে। উপন্যাসিকে য়াকা মিৰেমৰ এই সংঘৰ্ষপূৰ্ণ জীৱনৰ পটভূমিতে য়াকা মিৰেম উপন্যাসখন ৰচনা কৰিছে।

**গৱেষণাৰ উদ্দেশ্য আৰু লক্ষ্য**

মিছিং কিংবদন্তী নাৰী য়াকা মিৰেমৰ জীৱন সম্পৰ্কে অধ্যয়ন কৰাই গৱেষণাৰ মূল উদ্দেশ্য। য়াকা মিৰেমৰ ত্যাগ আৰু বীৰত্বৰ গাথা পুনৰ উদ্ধাৰ কৰাই গৱেষণাৰ মূল লক্ষ্য।

**গৱেষণাৰ পদ্ধতি**

বিষয়টো অধ্যয়ন কৰিবলৈ বিশেষকৈ বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হব। বিষয়টো প্ৰণালীবদ্ধ আৰু বিতংকৈ আলোচনা কৰা হব।

**গৱেষণাৰ পৰিসৰ**

বিষয়টো অধ্যয়নৰ পৰিসৰ ৰূপে মূলত উপন্যাসখনকে সামৰি লোৱা হ'ব। লগতে প্ৰাসঙ্গিক গ্ৰন্থসমূহৰ পৰা তথ্যসংগ্ৰহ কৰাৰ চেষ্টা কৰা হ'ব।

**২.০০ উপন্যাসখনৰ কাহিনী**

বেলং গাঁৱৰ কন্দাৰ গাম অত্যন্ত জনপ্ৰিয় আৰু প্ৰভাৱশালী ব্যক্তি। তেওঁৰ লগতে গাঁৱখনৰ সকলোৱে অৱস্থান নদন-বদন। বহুবছৰৰ মূৰত কন্দাৰৰ সন্তান নাছিল বাবে তাক দুখে আৱৰি আছিল। অৱশেষত এজনী ছোৱালী হোৱাত পতি-পত্নী দুয়ো আনন্দ হ'ল। মৰমত ছোৱালীজনীৰ নাম য়াদী ৰাখিলে। য়াদী লাহে লাহে গাভৰু হৈ ৰূপে-গুণে জাকত জিলিকা হ'ল। কন্দাৰৰ সুখৰ দিন বেছিদিনলৈ বৰ্তি নাথাকিল। কন্দাৰৰ পত্নী গাঁৱত হোৱা মহামাৰীত মৃত্যু হ'ল। গৌৰীনাথ সিংহৰ বলীয়া হাতী বশ কৰিব পৰা বাবে স্বৰ্গদেউ সন্তুষ্ট হৈ কন্দাৰৰ ভায়েকক মাউত হিচাপে নিয়োগ কৰে। শৰৎকাল অহাৰ লগে লগে গাৱঁত প'ৰাগ  উৎসৱ  উৎদযাপন কৰিবলৈ আৰম্ভ হ'ল। গাৱঁৰ সকলোকে উলহ-মালহেৰে আয়োজন কৰিলে। তাতে গামৰ জীয়েক য়াদীৰ সৌন্দয্য দেখি অভিভূত হৈছিল। গাঁৱৰ মানুহে তাইক য়াক কায়ুম নামেৰে মাতিবলৈ আৰম্ভ কৰিলে।

"তাইৰ তেনে মাগুৰ বৰণীয়া বৰণ আৰু মনোমোহা চেহেৰা দেখি গাঁৱৰ ৰাইজে তাইক য়াকা কায়ুম 'কৃষ্ণা সুন্দৰী' বুলি মাতিবলৈ ধৰিলে। বাপেকে দিয়া য়াদী নামটো গাঁৱৰ ৰাইজে পাহৰিয়েই পেলালে।" (পৃষ্ঠা ২০)

প'ৰাগৰ উৎসৱৰ মাজতে ত'বই য়াকাক প্ৰেমৰ প্ৰস্তাৱ দিলে। য়াকাই কোনো উত্তৰ নিদিলে। উৎসৱত ওচৰ চুবুৰীয়া গাঁৱৰ লগতে বিয়া হোৱা জীয়ৰী বোৱাৰীক নিমন্ত্ৰণ দিছিল। মিবুয়ে পূজা সুচাৰুপে চলাই নিছিলে। উৎসৱৰ সময়ত খুৱাক তামেন ফান্দী ঘৰলৈ আহিল। বদনৰ সহায়ত মানে অসম আক্ৰমণ কৰিছে। গতিকে যি কোনো মুহূৰ্তত আমাক মানে

আক্ৰমণ কৰিব পাৰে। গাঁৱৰ ৰাইজ সংবাদটো শুনি ভয়ত পলাবলৈ সাজ ুহ'ল। তামেমে ৰাইজক বুজনি দিলে পলাই যোৱাতকৈ তেওঁলোকক প্ৰতিহত কৰিবলৈ সাজু হ'ব লাগে । গাঁৱৰ ডেকা ল'ৰা-ছোৱালী আৰু ভতিজী য়াকাই অস্ত্ৰ-শস্ত্ৰৰ প্ৰশিক্ষণ ল'বলৈ আৰম্ভ কৰিলে। এনে সময়তে তামেমে আহি সকলোকে যে মান দেশ এৰি গ'ল। এতিয়া ভয়ৰ কাৰণ নাই বুলি কোৱাত সকলোৱে সকাহ পালে। উৰাচন পুত্ৰ তব আৰু য়াকাৰ মাজত প্ৰেমৰ সম্পৰ্ক কথা জানি মনে মনে আনন্দ পালে। উৰাচনে প্ৰভাৱশালী গামৰ একমাত্ৰ ছোৱালীয়া য়াকাক যেনেতেন বোৱাৰী কৰাৰ মন। কিন্তু কানি আৰু অসৎ পথৰে ধনী হোৱা উৰাচনৰ লগত কন্দাৰে কোনো সম্পৰ্ক ৰাখিব নিবিচাৰে। উৰাচনৰ বিয়াৰ প্ৰস্থাৱ কন্দাৰে পোনচাতে নাকচ কৰি দিলে। ভায়েক তামেৰ বুজনিত শেষত কন্দাৰে বিয়াৰ বাবে মান্তি হ'ল।

"ছোৱালী জন্ম দিছ যেতিয়া এদিন নহয় এদিন তাইক বিয়া দি ঘৰৰ পৰা উলিয়াই দিবই লাগিব। ছোৱালী বিয়া দিবৰ হৈছে। ল'ৰাৰ স্বভাৱ-চৰিত্ৰ কোনেও বেয়া দেখা নাই, বেয়া শুনা নাই। ল'ৰাক আমাৰ ছোৱালীৰো মনঃপুত হৈছে যেতিয়া তাইক বিয়া দি উলিয়াই দিওঁ।" (পৃষ্ঠা ৩৭)

তামেম বাহিৰত যোৱা বাবে বিয়াৰ দিন ঠিক কৰিব পৰা নাছিলে। তামেম আহি ৰাইজক জনালে মানে দ্বিতীয় বাৰৰ বাবে অসম আক্ৰমণ কৰিছে। ৰজা যুদ্ধত হাৰি পলাল। মানে গাঁৱে ভূয়ে আক্ৰমণ কৰি মানুহ হত্যা কৰিছে, নাৰীৰ ওপৰত নিৰ্যাতন চলাইছে, শিশু বৃদ্ধও সিহঁতৰ অত্যাচাৰৰ পৰা বাদ পৰা নাই। তামেমৰ কথা শুনি কন্দাৰ আৰু য়াকা দুয়ো ভয়ভীত হ'ল। দেশৰ এনে দুৰ্দশাৰ বাবে কন্দাৰে বিয়া পিছুৱাই দিলে। তমামে আগৰবাৰ মানে আক্ৰমণ কৰিব বুলি কৈ মানে আক্ৰমণ নকৰা বাবে এইবাৰো খৱৰ মিছা বুলিয়ে গাঁৱৰ ৰাইজে ভাৱিছিল। য়াকাই পৰিস্থিতি বিষম দেখি গাঁৱৰ পহৰা আৰু সুৰক্ষা দিবৰ বাবে এটি দল গঠন কৰিলে।

বেলং গাঁৱৰ ফালে মান সৈন্য অহা বুলি গ'ম পাই ৰাইজ আতংকিত হ'ল। য়াকা কায়ুমৰ বুদ্ধিমতে গাঁৱৰ মানুহে নাচি-বাগি ঢোল বজাই সিহঁতক গাঁৱলৈ আদৰিব গ'ল। আগতে অনুভৱ নকৰা এনেকুৱা ব্যৱস্থা দেখি সিহঁত আনন্দ পালে। গাঁৱত মান সৈন্য নৃত্য-গীত আৰু খাদ্যৰে আপ্যায়ন কৰাত তেওঁলোকে গাঁৱৰ মানুহক একো হানি নকৰিলে। কিন্তু তেওঁলোকে ঘূৰি যোৱাৰ সলনি তাতে থাকি বেছিকৈ খাদ্যৰ বাবে জোৰ দিলে। অৱশেষত য়াকা মিৰেমৰ উপায়মতে মান সেনাক তিৰোতাৰ মোহ দেখুৱাই চলনা কৰি নাঁৱৰে মাজৰ চাপৰিত এৰি থৈ আহে। দিন বাগৰাৰ লগে লগে খাদ্যৰ অভাৱত সিঁহতৰ মাজৰ কেইবাজনো মৰিলে আৰু জীয়াই থকা কেইজন শুকাই মৃতপায়ৰ দৰে হল। গাঁৱৰ ডেকা লৰাবোৰে গৈ চাপৰিত দুৰ্ব্বলহৈ

পৰা বাকীথকা মান সেনাবোৰক বধ কৰিলে। মানসেনাক বধ কৰাৰ বাবে আৰু গাঁৱৰ পৰা অপায় অমঙ্গল দূৰ কৰাৰ বাবে ৰাইজে দবুৰ উই পাতিলে। গাঁৱৰ ৰাইজ দবুৰ সকামত ব্যস্ত হৈ থাকোতে তামেন আহি মান সেনা অহাৰ খৰৰ দিলে আৰু সকলোকে পলাবলৈ ক'লে। তেওঁলোকে পলাবলৈ খোজতে মান সেনা গাঁৱত আহি উপস্থিত হ'ল। তামেমে বুদ্ধি কৰি মান সেনাক সকামত নিমন্ত্ৰণ দি আপং আৰু খাদ্যৰে আপ্যায়ন কৰিলে। সিঁহত আনন্দত সকামৰ খাদ্যবোৰ গ্ৰহণ কৰিলে। য়াকাৰ বুদ্ধিমতে খাদ্যত আফিং, ভাং, ধপাত জাতীয়  নিচাযুক্ত দ্ৰব্য মিহলাই দিয়াত কিছুসময়ৰ ভিতৰত সিঁহত প্ৰচণ্ড নিচাসক্ত হৈ গ'ল। য়াকা মিৰেমৰ নিৰ্দেশমতে গাঁৱৰ ডেকাবোৰে লুকাই থোৱা য়কচা দি সকলোকে এফালৰ পৰা কাটিবলৈ আৰম্ভ কৰিলে। কিন্তু সৌভাগ্যক্ৰমে মানসেনাৰ সেনাপতি লীছান পেং প্ৰাণ লৈ পলাই সাৰিবলৈ সক্ষম হ'ল।

মান সেনাপতি পলাই সাৰি যোৱা বাবে গাঁৱৰ মানুহ প্ৰচণ্ড বিপদ হ'ল। সাপ মাৰি নেগুৰত বিহ  ৰখাৰ দৰে এতিয়া সৈন্যলৈ গাঁৱত পুনৰ আক্ৰমণ কৰিব বুলি সকলোৰে প্ৰাণ লৈ পলাবলৈ আৰম্ভ কৰিলে। ইফালে লীছান পেংমানসেনাৰ ছাউনি বিচাৰি ফুৰি কতো দেখা নাপাই অবাক হল। মানসেনা উজনিৰ ছাউনি এৰি নামনিলৈ যুদ্ধৰ বাবে ঢাপলি মেলিছে। লীছান পেং অবশেষত নামনিৰ ফালে প্ৰস্থান কৰা সেনাৰ দলটোক বিচাৰি পালে যদিও লাজত নিজৰ দুৰ্গতিৰ বিষয়ে কাকো একো নকলে। আহোম সেনাই মান সেনাৰ পৰা নামনিৰ বহু অঞ্চল জয় উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। তাকে বচাবলৈ নামনিৰ ফালে মান সেনাই কুজ কৰিছিল।

"স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহই অচিৰেই ৰাজকাৰ্য চম্ভালিব গৈ। মৰসাহ কৰি স্বৰ্গদেউ ইশ্বৰে মান সেনাবাহিনীৰ লগত যুঁজি নামনি খণ্ড নিজৰ হাতলৈ আনিবলৈ সক্ষম হৈছে। বহুত মান সৈনাই ৰণত পৰিছে বুলি ঘুনুক-ঘানাককৈ শুনিছোঁ।" (পৃষ্ঠা ৫২)

দিন বাগৰাৰ লগে লগে মান সেনাই পুনৰ আক্ৰমণ নকৰাৰ বাবে ৰাইজ স্বাভাৱিক জীবন যাপন কৰিবলৈ আৰম্ভ কৰিলে। ইফালে উৰাচনৰ হেঁচাত কন্দাৰে য়াকাৰ বিয়াৰ দিন ধাৰ্য কৰা অনুষ্ঠান আয়োজন কৰিলে। অনুষ্ঠানৰ মাজতে হঠাৎ লীছান পেঙৰ নেতৃত্বত মান সেনাই গাঁৱত আক্ৰমণ কৰাত কোনেওঁ পলাবলৈ সময় নাপালে। অত্যাচাৰী মান সেনাই এফালৰ পৰা মানুহক কাটিবলৈ আৰম্ভ কৰিলে। গাভৰু -মহিলাক ধৰ্ষণ কৰিলে। ঘৰ-গোঁহালিত জুই লগাই সন্ত্ৰাসৰ সৃষ্টি কৰিলে। উপায়ন্তৰ হৈ য়াকা মিৰেমে ওচৰতে থকা উৰালৰ মাৰি ডালেৰে যুদ্ধ কৰি কেইজনমান মান সৈন্যক বধ কৰিলে। শেষত মান

সেনাই তাইক বন্দী কৰিলে। লীছান পেঙে ৰূপৱতী, সাহসী আৰু  বীৰ গাভৰু য়াকাক বন্দী কৰি মান সেনাপতিক উপহাৰ দিবলৈ লগত লৈ গ'ল।

তামেম ফান্দি আহি গাঁৱৰ দুৰৱস্থা দেখি শোকত ভাঙি পৰিলে।  পলাই  হাতসৰা  মুক্তা আৰু ত'বহতৰ পৰা য়াকাক বন্দী কৰি নিয়া বুলি শুনি সি অস্থিৰ হৈ উঠিল। তামেমে মান গুছি যোৱা খবৰ দিয়া বাবে গাঁৱৰ মানুহ সতৰ্ক হৈ থকা নাছিল। যাৰ ফলত মানে আহি গাঁৱখন ধ্বংস কৰি দিলে। সি ভুল বাতৰি দিয়া বুলি অনুশোচনাত ভুগিবলৈ আৰম্ভ কৰিলে। কাড়ী খেলৰ বন্ধু এজনে তাক আশ্বাস দিলে, সি গাঁৱত কোৱা কথাষাৰ সঁচাই আছিল। আহোমৰ লগত মান পৰাজয় বৰণ কৰিছিল। কিন্তু মান দেশৰ পৰা নতুনকৈ অহা সেনাই আহোমক পৰাজয় কৰি পুনৰ দেশখন নিজৰ অধীনত ল'লে আৰু স্বৰ্গদেউক চক্ৰান্ত কৰি বন্দী কৰিলে। সাহস বাঢ়ি যোৱা বাবে বগা বঙালৰ (ইংৰাজ]অঞ্চলৰ ওপৰত আক্ৰমণ কৰিলে। শক্তিশালী বগা বঙালৰ লগত যুদ্ধত তিষ্ঠিব নোৱাৰি দেশলৈ ঘূৰি যাব ধৰিছে। বাটত পোৱা গাঁৱবোৰ ধ্বংস কৰি গৈছে। অসমীয়া মানুহবোৰক বন্দী কৰি দেশলৈ লৈ গৈছে।

"কাঁড় ওজাৰ কথা শুনি তামেন ফান্দীয়ে চঁক খাই ক'লে- তেন্তে আমাৰ ছোৱালী য়াকা কায়ুমকো সিঁহতে লৈ গ'ল?" (পৃষ্ঠা ৬০)

মানে বন্দী কৰি নিয়া তিৰোতাবোৰৰ  লগত একেলগে য়াকা কায়ুমক ৰাখিলে।  বন্দী কৰি অনা ডেকাবোৰক বস্তু বাহিনীবোৰ কঢ়িয়াবলৈ ব্যৱহাৰ কৰিছিল। মান সেনাই বাটতে বন্দী কৰি নিয়া গাভৰু কেইজনীক ধৰ্ষণ কৰিলে। সেনাপতিৰ সকিয়াই থোৱা বাবে যাকাক একো নকৰিলে। এনেকৈ হাতত ৰছীৰে বান্ধী সিঁহতক মানে লগত গৈ থাকিল। মান সেনাই যিফালে গৈছিল সেইফালে হত্যালীলা আৰু ধ্বংসযজ্ঞ কৰি গৈছিল। লগত বন্দী হৈ যোৱা যাকায়ে এইবোৰ চাই চকুলো টুকিছিল। সিঁহতক লৈগৈ মান সেনাৰ দুৰ্গত পালে। তাত য়াকাৰ দৰে অসংখ্য গাভৰু আৰু ডেকা ল'ৰাবোৰক বন্দী কৰি ৰাখিছিল। বঙালসৈন্যই খেদি অহা বুলি শুনি ছাউনি এৰি মান সেনা তাৰ পৰা আঁতৰি গ'ল। শক্তিশালী বগা বঙালৰ মুখামুখি হোৱাৰ ভয়ত পাহাৰ আৰু হাবিৰ মাজেদি সিঁহতে আগবাঢ়িগৈ থাকিল। বুদ্ধিয়ক য়াকাই অহা বাটবোৰ মনত ৰাখি যাবলৈ চেষ্টা কৰিছিল। তেওঁলোকে তেনেকৈ গৈ মানৰ বৃহৎ শিবিৰত উপস্থিত হ'ল। তাত দেশৰ বিভিন্ন ঠাইৰ পৰা অনা অগনন ডেকা গাভৰু বন্দী হৈ আছে। মানে যে সিহঁতক নিজৰ দেশলৈ নিব ওলাইছে সেই কথাটো য়াকা মিৰেম অনুমান কৰিব পাৰিছিল। লী ছান পেং নতুন কাপোৰ আনি য়াকাক দিলে। সেনাপতি আহিলে এই কাপোৰ পিন্ধিবলৈ কলে। লীছান পেঙে

য়াকাক ক'লে সেনাপতিয়ে তাইক পত্নী ৰূপে গ্ৰহণ কৰিব আৰু তাইৰ জীৱন ধৈন্য হ'ব। য়াকাও জানিছিলে তাই পলাব লাগিলে লীছান পেঙৰ দ্বাৰাই পলাব লাগিব নহলে মান দেশ পাব লাগিব। য়াকা কায়ুমৰ কথাত ভোল গৈ পেঙে তাইক বন্দীৰ পৰা মুক্তি কৰি দি শিবিৰৰ চাৰিওফালে ঘূৰালে। য়াকাও পেঙক আশ্বাস দিলে সেনাপতি আহিলে তেও ঁকোৱাৰ দৰে সাজু হৈ আহিব। ৰাতি সকলো শুই থকাৰ সুযোগ লৈ য়াকাই গোপনে ঘোঁৰাৰ পিঠিত উঠি শিবিৰৰ পৰা পলালে। যিমান পাৰে সিমান ঘোঁৰা দৌৰালে। যাৰ ফলত ঘোঁৰা কষ্ট পোৱাৰ বাবে মৃত্যু হ'ল। য়াকাৰ অন্তিম ভৰসা চকুৰ পচাৰতে শেষ ,হোৱাত আতংকিত হল যদিও নিৰাশ নহল।

য়াকা মিৰেম মান সেনাৰ ভয়ত তাৰ পৰা আঁতৰি গ'ল। মান সেনাই বিচাৰি আহিলে তাই এনেকৈ পলাই বাচিব নোৱাৰিব সেই কথাটো ভালকৈ উপলব্ধি কৰিছিল। সেই কাৰণে অতি কষ্ট কৰি ওখ গছ এজোপাৰ ওপৰত উঠি লুকাই থাকিলে। কিছু সময় তাই ভবামতে মান সেনা বিচাৰি ঘোৰাঁ মৰি থকা নৈৰ পাৰত আহি পালে। য়াকাক চাৰিওপিনে বিচাৰিবলৈ ধৰিলে। তাৰে কেইজনমানে নৈত উটি যোৱাৰ ধাৰণা কৰিছিল। য়াকাই লীছানপেং বিশ্বাসঘাটক কৰা বাবে তীব্ৰ খং উঠিছিল। সেইকাৰণে বিচাৰি উলিয়ালে এইবাৰ সিহঁতকে গোটাই দিয়াৰ কথা কোৱাত বেছি উৎসাহত য়াকাক বিচাৰিবলৈ ধৰিলে।

"সুন্দৰীজনীৰ কিযে ছলনা! পত্নীৰূপে তাইক সেনাপতিলৈ আগবঢ়োৱাৰ কথাত আনন্দমনে মান্তি হৈ তাৰ বাবে তাই সাজু আছোঁ বুলি নিজ মুখে কৈছিল। দিনত তেনেকৈ মোৰ আগত কৈ ৰাতি পালি-পহৰীয়াহঁতৰ চকুত ধূলি মাৰি শিবিৰৰ পৰা সৰকি ওলাই গ'ল। তাই কি যে অদ্ভুত গাভৰু! কেনেবাকৈ বিচাৰি উলিয়াব পাৰিলে তোমালোক আটাইকেইজনৰ হাতত তাইক গতাম। তোমালোকে তাইক ভগাই ল'বা।" (পৃষ্ঠা ৮১)

এইবোৰ দৃশ্য য়াকাই গছৰ ওপৰৰ পৰাই লক্ষ্য কৰি আছিলে। গছত য়াকাই লুকাই থকাৰ শংকা কৰি মান সৈনিক এজনে গছত উঠি তাইৰ ওচৰ পাইছিলেগৈ, তেতিয়া বাটতে বিষাক্ত ফেটীসাপ এটা গছৰ কোৰাণ্ডত ফেনা মেলি থকা দেখি ভয়তে নামি গ'ল। ফেটী সাপে বাহ লৈ থকা গছত কোনো ব্যক্তিয়ে উঠিবলৈ সাহস নকৰে বুলি ভাবি বেলেগ ঠাইত য়াকাক বিচাৰি মানসেনা তাৰ পৰি অ্ঁাতৰি গ'ল। সিহঁত আতৰি যোৱাৰ লগে লগে তাই জংঘলৰ মাজত সোমাই গুহা এটাত ভয়ে ভয়ে লুকাই থাকিল। তাতে তাই শুই পৰিল।

ৰাতিপুৱা সাৰ পাই উঠি মানে যাতে সহজে বিচাৰি উলিয়াব নোৱাৰে পাহাৰ আৰু জংঘলৰ মাজেদি আগবাঢ়িল। এফালেদি বনৰ হিংস্ৰ জীৱ-জন্তুৰ ভয় আৰু আনফালেদি মানৰ ভয়। দুখে ভাগৰে দিন ৰাতি তাই খোজ কাঢ়ি গৈ থাকিলে। মানৰ অমানুষিক অত্যাচাৰ দেখি আৰু অনুভৱ কৰি তাইৰ এই সংকটপূৰ্ণ সময়ত যেন অনুভৱ হৈছে মানবতকৈ বনৰ হিংস্ৰ জন্তুয়ে শ্ৰেয়।

"মান সেনাবাহিনীৰ নিচিনা অধম মাৰতকৈ বনৰীয়া জীৱ-জন্তুৰ সমাজখনেই বেছি বিশ্বস্ত আৰু মঙ্গলময়।" (পৃষ্ঠা ৮৭)

বনৰ ফল আৰু জান-জুৰিৰ পানী খাই আগবাঢ়ি নিজৰ গাঁৱৰ পিনেগৈ থাকিলে। মানে ধ্বংস কৰি যোৱা জনশূন্য গাঁৱবোৰ দেখি য়াকা শোকত ভাগি পৰিছে যদিও নিজৰ ঠাই সন্ধানত হতাশ হোৱা নাই। বন্দী হোৱাৰ ভয়তে মানে লৈ অহা বাটেৰে তাই নাহি বাহিৰ মাজেৰে অচিনাকি বাটেৰে আহি আছে। তেনেকৈ গৈ থাকোতে জনশূণ্য এলেকাত গৰু হালৰ পিছ লোৱতে জংঘলৰ মাজত এহাল বুঢ়া-বুঢ়ী আৰু নাতিয়েকৰ ঘৰ পালে। সিহঁত মানৰ ভয়ত গাঁৱ এৰি জংঘলৰ মাজত একান্তভাৱে বসবাস কৰি আছে। য়াকাৰ কথা জানি তেওঁলোকে দুখ প্ৰকাশ কৰিলে। তাইক পৰিষ্কাৰ কৰি নতুন নতুন কাপোৰ পিন্ধিবলৈ দিলে। বহুদিনৰ মূৰত তাই ভাত খাব আৰু শান্তিৰে শুব পালে। য়াকাক বুঢ়াই ওচৰতে থকা গাঁৱলৈকে আগবঢ়াই থব গ'ল। মানৰ কবলৰ পৰা পলাই আহিবলৈ সক্ষম হোৱা য়াকাৰ কাহিনী শুনি ৰাইজ তবধ মানিলে। সকলোৱে তাইৰ সাহসক শ্ৰদ্ধা জনাই সেৱা কৰি বীৰাংগনা নাম দিলে।

"দুৰ্দান্ত মান সেনাবাহিনীৰ পৰাও যেপলাই আহিব পাৰে, তাতে গাভৰু ছোৱালী, সেই কথাই গাঁওখনৰ লোকসকলক স্তম্ভিত কৰি তুলিলে। গাঁওখনৰ বহুলোকে ৰাতি ৰাতি আহি য়াকা কায়ুমক বীৰাংগনাৰূপে মূৰ দোঁৱাই সন্মান জন্মালে।" (পৃষ্ঠা ১০১)

য়াকা মানৰ পৰা পলাই অহা সময় খিনিত বহু ঘটনা ঘটি গল। ৰামানন্দ নামৰ লোকজনৰ পৰা য়াকাই গম পালে যে ইংৰাজে মানৰ পৰা দেশক মুক্ত কৰি শান্তিৰ পৰিবেশ ঘূৰাই আনিছে। কথাটো শুনি য়াকা আৰু বুঢ়াজন যথেষ্ট আনন্দ পাইছিল। নাৰায়ণ গাঁৱত এৰাতি থাকি য়াকা পুনৰ নিজৰ গাঁৱলৈ যাত্ৰা আৰম্ভ কৰিলে। বুঢ়া মানুজনৰ লগতে গাঁৱৰ মানুহেও তাইক বেলং গাৱলৈ থৈ অহাৰ বাবে জোৰ কৰিছিল। যদিও তাই মানা কৰি অকলে যাত্ৰা কৰিলে। এনেকৈ অকশৰীয়াকৈ তাহ ×নৈ পাহাৰ জংঘল পাৰ কৰি অন্য এখন অচিনাকি গাঁৱ পালে। গাঁৱতসোমাই ঘৰ এখনৰ পৰা কীৰ্ত্তন পুথিৰ ঘোষা-পদ ৰিণিকি ৰিণিকিকৈ শুনিবলৈ পালে। ঘৰখনত গৈ তাই আশ্ৰয় বিচাৰিলে। গোসাঁই পৰিয়ালৰ স্বামী-স্ত্ৰী দুয়োজনে আদৰ-সাদৰ

কৰি তাইক ঘৰত থাকিবলৈ দিলে। দুয়ো স্বামী -স্ত্ৰীয়েþ য়াকাক অলপ দূৰলৈ আগবঢ়াই থৈ আহিলে। বিভিন্ন অপায় -অমঙ্গল বাধা- বিঘিনি নেওচি অৱশেষত য়াকা বেলং গাঁৱ পালে। মানে হত্যালীলা আৰু ধ্বংসযজ্ঞ কৰাৰ চিন তেতিয়ালৈকে স্পষ্ট হৈ আছিল। গাঁৱৰ কিছুসংখ্যক মানুহহে জীৱিত আছিল। মানৰ আক্ৰমণত তাইৰ পিতৃৰ লগতে আত্মীয়স্বজন যে কোনো জীয়াই থকা সেই কথাটো তাই জানিলে। মানৰ আক্ৰমণৰ পৰা বাচি যোৱা বহু মানুহ গাঁৱখন এৰি কৰি অন্য ঠাইলৈ গুছি গ'ল। নিজৰ দুখৰ কথা পাহৰি য়াকা গাঁৱখন উদ্ধাৰ কৰাত লাগি গ'ল। মুক্তাক লগত লৈ জ্বলি যোৱা ঘৰ আৰু গোঁহালিবোৰ ভাল কৰাত লাগি গ'ল আৰু খেতি-বাতি কৰাৰ বাবে গঞা ৰাইজক উচ্ছাহ দিলে। গাঁৱৰ পৰা অলপ নিলগত আছিল বাবে তবহতৰ ঘৰ ভাগ্যক্ৰমে মানৰ আক্ৰমণৰ পৰা বাচি গৈছিল। গাঁৱৰ ভিতৰত আৰ্থিকভাৱে চ২৬ল আৰু ধনী ব্যক্তি তথাপি বিপদৰ সময়ত গাঁৱখনৰ মানুহক সহায়ৰ হাত আগবঢ়োৱাটো দূৰৰ কথা খৱৰ লব নাহিলে। আনকি য়াকা গাঁৱত অহা বহুদিনলৈকে তবই খবৰ ল'ব নোৱাৰিলে। মুক্তাহঁতে উৰাচনৰ ঘৰত কথাটো জনোৱাত তবৰ পিতৃ আৰু ,মাতৃয়ে অপমান কৰিহে পঠিয়াই দিলে। মানৰ বন্দী হৈ অহা য়াকা এতিয়া ব্যভিচাৰী। ইমান দিন মানৰ লগত আছে, মানৰ হাতৰ পৰা সতীত্ব নেহেৰুবাকৈ তাই বাচি অহা নাই। এনেকুৱা ছোৱালী সিঁহতক নালাগে।

"তহঁতে কাক ত'বৰ বাগদত্তা বুলি কৈছ? সেই কুলক্ষণীজনীৰ নাম আমাৰ ঘৰত নুলিয়াবি। তাইৰ নাম শুনিলে আমাৰ গাত পাপ লাগিব।, তাই নৰখাদক মানহঁতৰ বেশ্যা। ইমান দিনেতাই বেশ্যালি কৰি ঘূৰি আহিছে। তাই অকলতাই ঘৰৰেই নহয়, আমাৰ গোটেই গাঁওখনৰে কলংক।" (পৃষ্ঠা ১১৩)

য়াকাৰ খুৰাক নোমলে উৰাচনৰ ওপৰত কেবাং মাতিলে। কেবাঙত য়াকাই মানৰ সেনা নায়ক লীছান পেঙে তাইক সেনাপতিক উপহাৰস্বৰূপে দিব বুলি তাইৰ ওপৰত কোনেও অত্যাচাৰ কৰা নাছিলে। তাই বুদ্ধি লগাই পলাই পাহাৰ ,নৈ ,জান, জুৰি ,জংঘল পাৰ কৰি ভোকে-পিয়াহে অনাহাৰা হৈ কষ্ট কৰি কেনেকৈ গাঁৱ পালে সকলোকে বুজাই ক'লে। সকলোৱে তাইৰ কথা শুনি চকুলো টুকিলে। তাইৰ সাহসিকতাৰ বাবে য়াকা কায়ুমক সকলোৱে সন্মানিত কৰিলে।

"তাইৰ দুঃসাহসিক কাৰ্যৰ কাহিনী শুনি তাইৰ গুণ-কীৰ্তন কৰি অৰ্ৱই বীৰাংগনা য়াকা কায়ুম-অৰ্ৱই।পৱিত্ৰ নাৰী য়াকা কায়ুম-অৰ্ৱই। ইত্যাদি বুলি ধ্বনি দিবলৈ ধৰিলে।" (পৃষ্ঠা ১১৫)

উৰাচনে টকা আৰু কানি খুৱাই বহু মানুহক নিজৰ ফলীয়া কৰিলে যাৰ ফলত কেবাঙত কোনো সিদ্ধান্ত গ্ৰহণ কৰা নহ'ল। উৰাচন বেছি উৎসাহিত হৈ য়াকাৰ বিৰুদ্ধে বেছিকৈহে অপ্ৰচাৰ চলাই তাইৰ শান্তি নোহোৱা কৰিলে। উৰাচনৰ কানিৰ

ব্যৱসায়ে গাঁৱৰ পৰিবেশ বিনষ্ট কৰিববৈলে ধৰিলে। গাঁৱৰ সক্ৰিয় ডেকা ল'ৰাবোৰে বিশেষকৈ মুক্তাহঁতে উৰাচনৰ অতপালিক বাধা দি ৰাখিব নোৱাৰিলে।

য়াকাই তাৰ চৰিত্ৰৰ ওপৰত সন্দেহ কৰাত তাই যথেষ্ট মানসিক আঘাত পালে। গাৱঁৰে ভদ্ৰলোক তাবালংৰ তাইৰ এই দুৰবস্থাত দুখ পালে আৰু তাইৰ উদ্ধাৰৰ বাবে চিন্তা কৰিলে। তেওঁৰ পাঁছজন পুত্ৰৰ দুজনৰ বিয়া হৈছে বাকী কেইজনৰ কোনোবা এজনক য়াকাক বিয়া কৰিববৈলে প্ৰস্তাৱ দিলে। তাৰ ভিতৰত নুমলীয়া সন্তান চিৰগিয়াই তাইক বিয়া কৰাৰ বাবে পিতৃৰ আগত সন্মতি দিলে। পিতৃ তাবালঙে খুৰাক নোমলৰ লগত য়াকাৰ বিয়াৰ প্ৰস্তাৱ দিয়াত আনন্দ পালে। জীৱনত ইমান সংঘাট আৰু লাঞ্ছনা পোৱাৰ পিছত বিয়াত বহিববৈলে অমান্তি হ'ল। নোমলে তাইক বুজাই বিয়াৰ বাবে মান্তি কৰালে। খুৰাক নোমলে য়াকা কায়ুমৰ বিয়া সম্পন্ন কৰি তাইক মাটি-বাৰী আৰু সা-সম্পত্তি চমজাই দি নিজে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থাকিববৈলে গুছি গ'ল।

"সিপিনে দদায়েক নোমলে সিহঁতৰ যি মাটি-বাৰী হাতী-ঘোঁৰা আদি সা-সম্পত্তি আছিল, এই আটাইবিলাক যৌতুক হিচাপে তাইক দি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ গুচি গ'ল।" (পৃষ্ঠা ১২৬)

লাহে লাহে ইংৰাজে সম্পূৰ্ণ দেশখন নিজৰ অধীন কৰি ললে। য়াকাৰ সাহস আৰু বীৰত্বৰ কথা চাৰিওপিনে প্ৰচাৰ হৈছিল। এদিনাখন দুজন বৃটিছে য়াকাক লগ ধৰিববৈলে গাৱঁত আহিছিল। পোন প্ৰথমবাৰৰ বাবে গাঁৱৰ ৰাইজে ইমান বগা চাহাবক দেখি ভয় খাইছিল আৰু আচৰিত হৈছিল। য়াকা আচৰিত হৈ সংকোচভাৱে তেওঁলোককদেখা কৰি নিজৰ ঘটনাবোৰ কৈ গৈছিল। বগা চাহাবকে দুজনে য়াকাৰ কাহিনী শুনি তবদ মানি প্ৰশংসা কৰি গৈছিল। মানৰ অত্যাচাৰৰ পৰা বচাই ইংৰাজে দেশত শান্তি আৰু স্থিৰতা আনিছে, শিক্ষাৰ প্ৰসাৰ কৰিছে, সমাজৰ পৰা ভেদাভেদ বৰ্ণবাদ, নাৰী পুৰুষৰ প্ৰভেদ কমাইছে। এইবোৰ কথাৰ বাবে য়াকাৰ লগতে সাধাৰণ মানুহে ইংৰাজক ভাল পাইছিলে। মানৰ অত্যাচাৰৰ কথা ভাবিলে য়াকা সিয়ৰি উঠে। ভৱিষ্যতৰ কথা চিন্তা কৰি ইংৰাজে অঞ্চলত বাহৰ পাতিব বিচৰাত য়াকাই নিজৰ মাটিত দিয়াৰ উপৰিও ব্যৱস্থা কৰি দিয়াত তেওঁলোকে বৰ ভাল পালে। কিবা সংকট হলেই ইংৰাজসকলে য়াকাৰ ওচৰত সহায় বিচাৰি গৈছিল। ইংৰাজ সকলৰ লগত লগ লাগি য়াকাই অঞ্চলটো উন্নত কৰাৰ বাবে চেষ্টা কৰিছিল। ফলত গাঁৱৰ ৰাইজ এঘৰ দুঘৰ গৈ উৰাচনৰ পৰিয়ালৰ বাহিৰে বেলং গাঁৱৰ সকলো ৰাইজ আৰু যিসকলে য়াকাৰ মিছা বদনাম গাইছিল সিহঁত তাইৰ অঞ্চলত

থাকিবলৈ ল'লে। দুখীয়া -নিছলাক মাটিবাৰী দি সহায় কৰিলে। বিপদত পৰা মানুহক সহায় কৰাটো য়াকাৰ পৰম ধৰ্মহৈ উঠিলে।

"সদায় এই তিনি শ্ৰেণীৰ লোকৰ বাঞ্চা পূৰণত তৎপৰ য়াকা কায়ুমৰ গুণ স্বভাৱ আৰু লোকহিতকৰ কৰ্মৰ শলাগলৈ চৌকাষৰ লোকে তেওঁক য়াকা মিৰেম (কৃষ্ণ চহকী) বুলি মাতিবলৈ ধৰিলে।" (পৃষ্ঠা ১৩৪)

সময় বাগৰাৰ লগে লগে য়াকাৰ জনপ্ৰিয়তা বাঢ়িবলৈ আৰম্ভ কৰিলে। সকলোৱে যিকোনো সমস্যা সমাধানৰ বাবে গঞা ৰাইজৰ লগতে ইংৰাজ সকলোৱে তাইৰ ওচৰলৈ আহে।

য়াকাৰ উন্নতিত ইৰ্ষা হৈ উৰাচনৰ পৰিয়াল জ্বলিবলৈ ধৰিলে। উৰাচন আৰু তাৰ পত্নীয়ে য়াকাক ধ্বংস হোৱাৰ অভিশাপ দিলে যদিও ওলোতাকৈ উৰাচনৰ পৰিয়ালহে ধ্বংস হ'ল। সিহঁতৰ ঘৰ-বাৰী, খেতি-বাতি, ভড়াল, গোহালি জ্বলি ছাই হৈ গল। সেই দুখতে উৰাচন পগলা হ'ল। পাত্নী নদীত ডুবি মৰি গ'ল। অনুশোচনা ভুগি ত'বই য়াকাৰ ওচৰত সহায় বিচাৰিলে। য়াকাই তাৰ দুৰবস্থা দেখি সহানুভূতি দেখুৱাই হাতীৰ মহলৰ কামত লগাই দিলে। এনেকৈ জীৱনটো ৰাইজৰ মঙ্গলৰ কামত জীৱন উছৰ্গা কৰি এই জগতৰ পৰা য়াকা মিৰেম চিৰবিদায় লয়। তাইৰ মৃত্যুত ৰাইজৰ লগতে ইংৰাজসকলে দুখ পাইছিল।

"হাম লোগকা লকেল মাডাৰ থা য়াকা মিৰেম। মিৰেম কো হাম খো দিয়া। হামি লোগ পহিল পহিল এই দেশকা ভাষা বুজিব নাই পাৰিছে। বহুত অসুবিধা ভি পাইছে। তবে মাডাৰ মিৰেম আমাৰ ওপৰ মৰম কৰি চবকুচ হেলেপ কৰিছে। হামি লোগ কচব ৰকম মদদ ভি কৰিছিলে, এডভাইছ ভি দিছিল।" (পৃষ্ঠা ১৩৬-১৩৭)

**৩.০০ উপন্যাসখনৰ বিশ্লেষণ**

য়াকা মিৰেম সৰু কলেবৰৰ উপন্যাস। সহজ সৰল ভাষাত উপন্যাসখনৰ কাহিনী ৰচনা কৰা হৈছে। উপন্যাসখনত সৰ্ব্বমুঠ ৩৫ টা অধ্যায় আছে। প্ৰতিটো অধ্যায়ৰ সুকীয়া সুকীয়া নাম ৰখা হৈছে। অধ্যায় কেইটাৰ নাম হৈছেঃ বীভৎস সেই নিশাটি, বেলংগাঁও, কন্দাৰ গাম, তামেন ফান্দী, প'ৰাগ উৎসৱৰ প্ৰস্তুতি, য়াকা কায়ুম, উৎসৱমুখৰ বেলংগাঁও, উলহ-মালহেৰে উৎসৱ উদযাপন, তামেন ফান্দী প্ৰত্যাগমন,ত'বলৈ য়াকা কায়ুমক খোজা-বঢ়া, মান সেনাৰ পুনৰাগমন, বেলং গাঁৱত মান সেনা,আকৌ মৰণ ফান্দত মান সেনা,বেলং গাঁওবাসীৰ পলায়ন, য়াম্নী তাত্পৃৰ্, মৰ্মাহত তামেন ফান্দী, পিশাচহঁতৰ কবলত য়াকা কায়ুম, য়াকা কায়ুম নিজ ৰাজ্য অতিক্ৰম, পাহাৰীয়া পথত য়াকা কায়ুম, য়াকা কায়ুমৰ পলায়ন, য়াকা ক ায়ুমৰ

সন্ধানত লীছান পেং, জুম খেতিৰ টঙিত য়াকা কায়ুম, নিজ মাতৃভূমিত য়াকা কায়ুম, মান ভগনীয়াৰ ঘৰত য়াকাকায়ুম, নাৰায়ণ গাঁৰত য়াকাকায়ুম, য়াকা কায়ুমৰ বেলংগাঁও, বলং গাঁৰত য়াকা কায়ুম, উৰাচন বেপাৰীৰ বিৰুদ্ধে কেবাং, উৰাচন বেপাৰীৰ উদ্ভণ্ডালি, য়াকা কায়ুমক আকৌ খোজা-বঢ়া, উৰা বাতৰিৰ পীড়া, ইংৰাজৰ আগমন,ইংৰাজ শাসনৰ সূচনা আৰু মহাপ্ৰয়াণ । ঘটনাৰ আধাৰত অধ্যায়ৰ নাম ৰাখিছে। সৰু কলেৰৰ উপন্যাসখনত ইমান সৰু সৰু অধ্যায়ত বিভাজন কৰাটো যুক্তিপূৰ্ণ হোৱা নাই। একো একোটা অধ্যায় দুই-চাৰিটা পৃষ্ঠাৰ মাজতে আবদ্ধ। উপন্যাসখন প্ৰথম আৰn ,তৃতীয় পুৰুষত বৰ্ণনা কৰিছে। উপন্যাসৰ বেছিভাগ অংশ বৰ্ণনামূলক।

উপন্যাসখনত য়াকা কায়ুৰ জীৱন চিত্ৰিত কৰা হৈছে। য়াকা কায়ুৰ জীৱন পৰিক্ৰমাক দুটা ভাগত ভাগ কৰিব পাৰি। প্ৰথম ভাগত য়াকাৰ মানৰ লগত যুদ্ধ আৰু বন্দী। মানৰ বন্দীৰ পৰা পলায়ন কৰি বিভিন্ন বাধা-বিঘিণি নেওচি গাঁৱলৈ প্ৰত্যাৱৰ্তন। দ্বিতীয় ভাগত ইংৰাজৰ আক্ৰমণত মানৰ দেশ ত্যাগ, ৰাইজে য়াকাক জাত যোৱা বুলি অমানুষিক অত্যাচাৰ, য়াকাৰ সহজ-সৰল ৰাইজৰ উন্নতি আৰু সমাজ সংস্কাৰমূলক কামত জীৱন উছৰ্গা। জীৱনৰ দুটা পয্যায়ৰ মাজেদি উপন্যাসৰ কাহিনী নিৰ্মাণ কৰিছে। উপন্যাসখনৰ কাহিনীৰ বেছি অংশ মানৰ আক্ৰমণ, মানৰ লগত বেলংগাঁৱৰ সংঘাট আৰু মানৰ বন্দীত্বৰ পৰা কেনেকৈ পলাই আহি বিভিন্ন দুৰ্যোগৰ মাজেদি কেনেকৈ বেলং গাঁৱত উপস্থিত হ'ল তাকে অংকন কৰিছে। দেশত ইংৰাজৰ শাসন, য়াকাই শান্তি সুস্থিৰতা আৰু উন্নতিৰ স্বাৰ্থত বৃটিছৰ লগত সহযোগ আগৱঢ়াবই সমগ্ৰ জীৱন গাঁৱৰ মানুহক সহায় কৰি শেষত বয়স হয় মৃত্যুবৰণ কৰে। এই ঘটনাক্ৰমখিনি খৰধৰকৈ সীমিত পৰিসৰত মাথো শেষৰ ৪টা অধ্যায়ৰ জৰিয়তে বৰ্ণনা কৰিবলৈ চেষ্টা কৰিছে। যাৰ ফলত প্ৰথম অৱস্থাত কাহিনী আৰু ঘটনাৰ আকৰ্ষণ আছিল শেষৰখিনিত তেনেকুৱা আকৰ্ষণ উপন্যাসখনে সৃষ্টি কৰিবলৈ সমৰ্থ হোৱা নাই।

উপন্যাসখনৰ কাহিনী উপস্থাপনত বহুকেইটা ঠাইত দুৰ্বলতা লক্ষ্য কৰা যায়। য়াকাই শক্তিশালী মানসেনাৰ দ্বাৰা গাঁৱৰ আক্ৰমণক বুদ্ধিৰ দ্বাৰা প্ৰতিহিত কৰিবলৈ সক্ষম হৈছে। কিন্তু প্ৰশিক্ষণপ্ৰাপ্ত সুব্যৱস্থিত মান সেনাৰ লগত প্ৰশিক্ষণ নোলোৱাকৈ যুদ্ধ কৰি মান সেনাক বধ কৰাটো বাস্তৱসন্মত হোৱা নাই। উপন্যাসখনত আগতে য়াকাই কেতিয়াবা ঘোঁৰাত উঠা বা ঘোঁৰা চলোৱা কথাটো প্ৰকাশ কৰা নাই। আনহাতে দি মিছিং জাতিটো অন্যজাতিৰ দৰে ঘোঁৰাৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষ সম্পৰ্ক নাই। তেনে ক্ষেত্ৰত এদিনো ঘোঁৰাত উঠি নোপোৱা ছোৱালী এজনী মানসেনাৰ  চাউনিৰ পৰা ঘোঁৰা চুৰ কৰি তাৰ পিঠিত উঠিকোনো শব্দ নকৰাকৈ পলাই অহাটো বিশ্বাসযোগ্য হোৱা নাই।

"তাই একেজাপে ঘোঁৰাটোৰ পিঠিত উঠিল। মৰণত শৰণ দি তাই ঘোঁৰা চেকুৰোৱালে। ঘোঁৰাটোৱেও ঢাপলি মেলিলে। নিৰাপদ দূৰত্বলৈ আগুৱাই গৈ মৰণৰ পৰা বাচিবৰ বাবে তাই আৰু তীব্ৰ গতিত ঘোঁৰাটো চেঁকুৰোৱালে।" (পৃষ্ঠা ৭৬)

মানৰ সেনাপতি লীছান পেং বেলং গাঁৱৰ পৰা কোনোমতে প্ৰাণ লৈ পলাই আহিবলৈ সক্ষম হৈছিল। য়াকা মিৰেম দেখিবলৈ অতি ধুনীয়া আৰু বুদ্ধিয়ক ছোৱালী আছিল। সেইবাবে দ্বিতীয়বাৰৰ বাবে বেলং গাৱঁ আক্ৰমণ কৰি পেঙে য়াকাক বন্দী কৰি সেনাপতিক উপহাৰ স্বৰূপে দিব বিচাৰিছিল। সেইবাবে মানৰ বন্দীত্বত থাকিও পেঙৰ কঠোৰ সকিয়নী আৰু নিৰ্দেশ মৰ্মে কোনো মান সেনা য়াকাৰ ওপৰত হাত দিব পৰা নাছিলে। এইখিনি লৈকে ঠিকে আছিল। মান সেনাপতি পেঙে ভালকৈ জানিছিলে গাঁৱত মানৰ আক্ৰমণ অসফল হোৱাৰ মূল কাৰণ আছিল য়াকা মিৰেম। সেই সংঘৰ্ষত প্ৰাণ লৈ পলাই হাত সাৰিব পৰা একমাত্ৰ মান পেঙে আছিল। তেনে পৰিস্থিতিত য়াকাৰ দৰে বুদ্ধিয়ক ছোৱালীৰ কথাত পতিয়ন গৈ তাক বন্দীত্বৰ পৰা মুকলি কৰি দি খোলাকৈ ঘূৰিব দিয়াটো আৰু নিজে তাইক শিবিৰ গুৰুত্বপূৰ্ণ আৰু সংবেদনশীল বিশেষকৈ অস্ত্ৰাগাৰ দেখুওৱাটো কোনোমতে বাস্তৱসন্মত হোৱা নাই।

"লীছান পেঙৰ তেনে মধুৰ কল্পনাৰ বিপৰীতে য়াকা কায়ুমে ছলনা কৰি তাক ক'লে- হেৰি নায়ক, শিবিৰৰ ভিতৰত আৱদ্ধ হৈ থাকি মোৰ মন-গা জধলা হৈ পৰিছে। অলপ সময়ৰ বাবে বাহিৰৰ মুকলি ঠাইলৈ মোক নিব পাৰিবনে?" (পৃষ্ঠা ৭৩)

"কথা পতাৰ চলেৰে তাই শিবিৰৰ চাৰিওফালে ঘূৰি-পকি হাতী-ঘোঁৰা অস্ত্ৰ শস্ত্ৰ ৰখা ঠাই বিলাকো চিনি বুজি ল'লে।" (পৃষ্ঠা ৭৪)

য়াকাই পলাই গৈ ওখ গছ এজোপাৰ ওপৰত আশ্ৰয় লৈছিল। মান সৈন্য এজনে তাইক বিচাৰি একেজোপা গছত বগাই গৈছিল যদিও বাটতে ফেটীসাপ গছৰ খোৰোঙৰ পৰা ওলাই আহোতে ভয়তে তললৈ নামি গল। একেজোপা গছত বিচাৰি ওপৰলৈ উঠি গৈ কোনোবা থকাৰ উমান নোপোৱা কথাটো আৰু লাগে আধা বাটৰ পৰাই গছৰ পৰা নামি আহক, এই কথাটো বিশ্বাসযোগ্য হোৱা  নাই।

য়াকা মানৰ বন্দীৰ পৰা নিজৰ গাঁৱলৈ ঘূৰি আহোতে বহুতে ভাল দৃষ্টিৰে চোৱা নাছিলে। তাইক অসতী বুলি উৰাচনে কথা দিও বোৱাৰী কৰিবলৈ আৰু ত'বই বিয়া কৰিবলৈ অস্বীকাৰ কৰিলে। ফলত য়াকাৰ দুৰবস্থা দেখি  চিৰগিয়াই  বিয়া কৰে। এই দৃশ্যৰ বাহিৰে উপন্যাসখনত য়াকাৰ স্বামীৰ দৰে গুৰুত্বপূৰ্ণ চৰিত্ৰৰ দ্বিতীয় বাৰলৈ কোনো উল্লেখ পোৱা নগল। এই চৰিত্ৰটো উপন্যাসিকে সুন্দৰকৈ আগবঢ়াই নিব পাৰিলে হয়। উপন্যাসখনত য়াকাৰ বিবাহ আৰু স্বামীক নেদেখুৱালে কাহিনীৰ

কোনো ক্ষতি নহলে হয়। উপন্যাসখনৰ আটাইতকৈ আকৰ্ষণীয় দিশটো হৈছে মিছিং সমাজ সংস্কৃতিৰ চিত্ৰণ । উপন্যাসখন পঢ়িলে মিছিং সমাজ আৰু সংস্কৃতিৰ ভালেখিনি কথা জানিব পাৰি।

**৪.০০ উপন্যাসখনৰ চৰিত্ৰৰ বিশ্লেষণ**

উপন্যাসখনত ভালেমান চৰিত্ৰ আছে। ইয়াৰ ভিতৰতঃ য়াকা কায়ুম, তমাম ফান্দি, কন্দাৰ, লীছান পেং, উৰাচন, ত'ব, নোমল, তাবালং আদি।

য়াকা উপন্যাসখনৰ মুখ্য চৰিত্ৰ। মিছিং বীৰাংগনা য়াকাই মানৰ সৈতে যুদ্ধত অৱতীৰ্ণ হোৱাৰ লগতে সিহঁতৰ বন্দীত্বৰ পৰা পলাই আহিবলৈ সক্ষম হৈছিল। য়াকা অতি ৰূপৱতী আছিলে। সেই কাৰণে লীছান পেঙে তাইক সেনাপতিক উপহাৰ স্বৰূপ দিয়াৰ কথা ভাৱিছিল। য়াকা জ্ঞানী আৰু বুদ্ধিয়ক আছিল। তাইৰ বুদ্ধিৰ বাবে মানসেনাই কৰা দুবাৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ সক্ষম হৈছিল। চতুৰ বাবে মানৰ চাউনিৰ পৰা অকলে পলাই আহিবলৈ সমৰ্থ হৈছিল। য়াকা অতি সাহসী আৰn ্ধৈয্যশীল ছোৱালী আছিল। যাৰ বাবে অকলশৰে ঘন জংঘল, পাহাৰ-পৰ্বত, নৈ-জান-জুৰি, দিন-ৰাতি একাকাৰ কৰি ভয় নকৰাকৈ নিজৰ গাঁৱত উপস্থিতহৈসকলোকে আচৰিত কৰিছিল। তাই অতি দয়াশীল আৰু সহানুভূতিশীল ছোৱালী আছিল। সেইবাবে ত'বই তাৰ ওপৰত কৰা অত্যাচাৰক পাহৰি তাই সংস্থাপনৰ ব্যৱস্থা কৰি দিছিল। ৰাইজৰ মঙ্গলৰ বাবে জীৱনটো উছৰ্গা কৰি দিছিল।

কন্দাৰ য়াকাৰ পিতৃ আৰু বেলং গাঁৱৰ গাম। তেওঁ অঞ্চলৰ প্ৰভাৱশালী ব্যক্তিত্ব সম্পন্ন আৰু অৰ্থবান লোক আছিল। ৰাইজৰ মঙ্গলৰ বাবে সদায় তৎপৰ আছিল। যিটো গুণ য়াকাই পিতৃৰ পৰা পাইছিলে। পত্নীৰ মৃত্যুৰ পিছত কন্দাৰে অকলে য়াকাক তুলি-তালি ডাঙৰ কৰিছিল। মানৰ আক্ৰমণত কন্দাৰৰ মৃত্যু হয়। তামেমে য়াকাৰ খুৰাক। অতি কৌশল দেখুৱাই হাতী ধৰিব পৰা বাবে স্বৰ্গদেউতাক ফান্দি হিচাপে নিয়োগ কৰিছিল। কিন্তু হাতীৰ পিঠিৰ পৰা পৰি ভৰি ভাঙি খোৰা হোৱাৰ বাবে কামৰ পৰা অব্যাহতি লৈছিল। তামেম য়াকাক বৰ মৰমৰ কৰিছিল। তামেমক কন্দাৰে বিশ্বাস কৰিছিল। তাৰ সন্মতি নোলোৱাকৈ কোনো কামত আগনাবাঢ়িছিল। য়াকা আৰু ত'বৰ বিয়াত কন্দাৰে সন্মতি জনোবা নাছিলে। তামেমৰ বুজনিতহে কন্দাৰে বিয়াৰ বাবে সন্মতি জনাইছিল। তামেম ঘৰত উপস্থিত নথকা বাবে ত'ব আৰু য়াকাৰ বিয়াৰ দিন ঠিক কৰিব পৰা নাছিলে। বাহিৰৰ খবৰ গাঁৱত অনাৰ এক মাত্ৰ মাধ্যম তমাম আছিল। তমেমে আগতীয়াকৈ খবৰ দিয়া বাবে প্ৰথমবাৰ মানৰ আক্ৰমণৰ পৰা বেলং গাঁৱখন ৰক্ষা পৰিছিল। তামেম একে ঠাইত স্থিৰে বেছিদিন থাকিব নোৱাৰা মানুহ। সেইবাবে বহুখিনি

সময় ঘৰৰ পৰা দূৰতে থাকে। তামেম কন্দাৰৰ নিজা ভায়েক নহয়। কন্দাৰৰ পিতৃৰ তোলনীয়া পুত্ৰ। তথাপি সহদৰৰ ভাতৃৰ দৰে দুয়োৰে মৰম আছিল। মানৰ আক্ৰমণৰ পিছত তামেমক গাৱৰ মানুহে দেখা নাপালে। তামেম পলাই গ'লনে, মৰি গ'ল নে, মানে ধৰি নিলে কোনেও গ'ম নাপালে।

লীছানপেং মানৰ সেনাপতি। প্ৰথমবাৰ বেলংগাঁৱ আক্ৰমণ কৰিব আহি য়াকাৰ ফান্দত পৰি সৈনিকবোৰ মৃত্যুক সাৱটি ল'ব লগা হল যদিও নিজে কোনোমতে প্ৰাণ লয় বাচি আহিলে। দ্বিতীয় বাৰ পুনৰ সেনা লৈ আহি বেলং গাঁৱত ধ্বংসযজ্ঞ চলায় য়াকাক বন্দী কৰি লয় যায়। সেনাপতিক উপহাৰ স্বৰূপে য়াকাক দিম বুলি ভাবিছিল। য়াকাৰ কথাত ভোল গৈ তাইক বন্দীৰ পৰা মুকলি কৰি গোটেই চাউনি দেখুৱাইছিল। যিয়ে পিছত পেঙৰ বাবে মাৰাত্মক ভুল হ'ল। পিছত য়াকাই বুদ্ধি কৰি তাৰ পৰা পলাই গুছি গল। লীছান পেং অতি বীৰ সাহসী আৰু আন আন মানৰ দৰে নিষ্ঠুৰ সেনাপতি। তাৰ মাজতে পেং বুদ্ধিত অলপ দুৰ্বল আছিল। নহলে শত্ৰুৰ কথাত পতিয়ন গৈ চাউনিৰ গোপন ঠাই নেদেখুৱালে হয়।

উৰাচন উপন্যাসখনৰ এটি আকৰ্ষণীয় চৰিত্ৰ। মানৰ পিছত য়াকাৰ জীৱনলৈ সংঘাট অনা ব্যক্তিজন হল উৰাচন। গাঁৱৰ আটাইতকৈ ধনী লোক। কানি আৰু অনৈতিক ব্যৱসায়েৰে বহু ধন আহোৰণ কৰিছিল। কন্দাৰে সেই বাবে য়াকা উৰাচনৰ পুত্ৰৰ লগত বিয়া দিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। কন্দাৰ একমাত্ৰ সন্তান আৰn ,অজস্ৰ সা-সম্পত্তিত লোভ কৰি বিয়াৰ বাবে মানা কৰা সত্বেও জোৰ দিছিল। য়াকা মানৰ কবলত পৰা পলাই অহাৰ পিছত সিহঁতৰ পৰিয়ালে তাইক গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰাই তাইক ব্যভিচাৰী বুলি দুপ্ৰচাৰ চলাইছিল। গাঁৱত সেই সম্পৰ্কে বিচাৰ চলাত টকা আৰু কানিৰ দ্বাৰা সকলোকে নিজৰ ফলিয়া কৰি লৈছিল। শেষত ঘৰ দুৱাৰ খেতি বাতি ভড়াল আদি জুইত জাঁহ গৈ সৰ্বস্বান্ত হৈ পগলা হয় মৃত্যু বৰণ কৰিব লগা হয়। উৰাচন এজন ব্যভিচাৰী, ক্ষমতালোভী, মিছলীয়া, নৈতিকতাহীন, মানৱতাহীন, অৰ্থলোভী নীচ ব্যক্তি।

তাবালং উপন্যাসখনৰ এটিগুৰুত্বপূৰ্ণ চৰিত্ৰ। উৰাচনে ভুৱা কথা প্ৰচাৰ কৰি  য়াকাৰ  জীৱন কঠিন কৰি তুলিছিল। য়াকা কোনেও বিয়া কৰিব বিচৰা নাছিল। তেতিয়া মানৱীয় দৃষ্টিভংiীৰে তাবালং সহানুভূতিৰ হাত আগবঢ়াইছিল। নিজৰ সৰু পুতেকৰ লগত য়াকাৰ বিয়া পাতি তাইক সমাজৰ লাঞ্চনাৰ পৰা মুক্ত কৰিছিল। তাবালং এজন সৎ, ভদ্ৰ, নম্ৰ, চিন্তাশীল আৰু সহানুভূতিশীল ব্যক্তি।

ত'ব উৰাচনৰ পুত্ৰ। পিতৃৰ দৰে পুত্ৰ অমানৱীয়। য়াকাক প্ৰেমৰ মোহত বান্ধি ৰাইজক সাক্ষী কৰি বিয়াৰ প্ৰতিশ্ৰুতি দিলে। মানৰ বন্দীৰ পৰা প্ৰাণ লৈ পলাই অহা  বাগদত্তা পিতৃহীন অসহায় য়াকাক খবৰ লবলৈ সময় নাই। বৰঞ্চ য়াকাক ভ্ৰষ্ট নাৰী বুলিহে বদনাম কৰি বিয়াৰ বাবে অস্বীকাৰ কৰিলে। শেষত সৰ্বস্বান্ত হৈ জীৱিকাৰ বাবে য়াকাৰ ওচৰতে সংস্থাপন বিচাৰি যাব লগা হ'ল। ত'ব এজন অমানৱীয়, উতলা মনৰ, চঞ্চল, স্বাৰ্থপৰ আৰু নিজস্ব হীন ব্যক্তি।

**৫.০০ সমাজ চিত্ৰণ**

উপন্যাসখনত মিছিং সমাজ সংস্কৃতিৰ ভালেখিনি দিশ প্ৰকাশ পাইছে। মিছিং চাংঘৰত বসবাস কৰে। ডেকাবোৰে ডেকা চাং আৰু গাভৰুসকলে গাভৰু চাঙত থাকে। মুৰু ঘৰত মিছিং সমাজ আৰু সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। তাৰ পৰাই সামাজিক কামবোৰ পৰিচালনা কৰা হয়। মিছিং সমাজত গাঁৱৰ গাঁওবুঢ়া বা মুখীয়ালক গাম বুলিকোৱা হয়। য়াকা পিতৃ কন্দাৰ গাঁৱৰ গাম আছিল। সমাজত যিকোনো বিবাদ বা হাই-কাজিয়াৰ নিষ্পত্তি কেবাঙহে কৰে। কেবাঙত গাঁৱৰ গণ্য-মান্য ব্যক্তিসকলৰ দ্বাৰা পৰিচালিত হয়। য়াকাক ত'বই বিবাহৰ প্ৰতিশ্ৰুতি দিয়ো বিয়া কৰাত অমান্তি হোৱাত সিহঁতৰ পৰিয়ালৰ ওপৰত নোমলৰ অনুৰোধত কেবাঙে বিচাৰ কৰিছিল।

"কেবাঙৰ কাম আৰম্ভ হ'ল। তামোল-পাণ আপঙৰ টোপোলা আদিৰ শৰাই পাতি নোমলে ৰাইজৰ আগত আঁঠুলৈ কৰযোৰে গোহাৰি জনালে-মোৰ ভতিজা য়াকা কায়ুমক উৰাচন বেপাৰীয়ে তেওঁৰ পুতেক ত'বলৈ বুলি খোজ-বঢ়া কৰি এতিয়া কথা সলাই আমাক চৌঠেঙীয়া কৰেছে। আমি বিপাঙত পৰিছোঁ। ৰাইজে বিষয়টো সুবিচাৰ কৰি দিয়ক।" (পৃষ্ঠা ১১৫)

উপন্যাসখনত মিছিংসকলৰ বিভিন্ন উৎসৱ পাৰ্বণৰ ভিতৰত প'ৰাগ, আলি আঃয়ে লিগাং, দবুৰ উই আদি উৎসৱৰ কথা বিতংকৈ উল্লেখ কৰিছে। মিছিং সকলৰ ৰুঃনী-পৃনী ,দঞ্চি-প'ল, কাৰ্চিন-কাৰ্তাক, তালেং উই আদি দেৱতাৰ বিষয়ে উপন্যাসখনৰ পৰা জানিব পাৰি। ইয়াৰোপৰি মিছিংসকলৰ গীত ঐনিতম, খাদ্যভাস আৰু বেশভূষাৰ কথাও উপন্যাসখনত আছে।

উপন্যাসখন মানৰ অসম আক্ৰমণৰ পটভূমিত ৰচিত হৈছে। মানে অসম আক্ৰমণৰ কাৰণ আৰু মানৰ আক্ৰমণৰ বিভৎস চিত্ৰণ উপন্যাসখনত আছে। বদনে পোন প্ৰথমবাৰৰ বাবে মানক অসম আক্ৰমণ কৰিবলৈ মাতি আনিছিল। মানে অসমত তিনিবাৰ আক্ৰমণ কৰিছিল। প্ৰতিবাৰ আক্ৰমণ আনবাৰতকৈ ভয়ানক আছিল। ঘৰ, খেতি, ভড়াল, গোহালি আদিত

জুই লগাই দিছিল। মানুবোৰক এফালৰ পৰা শিশু, বুঢ়া, গৰ্ভাৰতী মহিলা যাকে পাইছিল তাকে নিৰ্দয়ভাৱে হত্যা কৰিছিল। মহিলাবোৰক ধৰ্ষণ কৰিছিল।

"সৰ্বনাশী মান সেনাই যিখন গাঁৱত সেইখন গাঁও সম্পূৰ্ণৰূপে ধ্বংস বুলি জানিবা। কাৰোবাৰ ভঁৰালত শস্য ভৰ্তি হৈ থাকিলে সোপাকে লৈ যায়। শস্য নথকাহঁতৰো সাৰণ নাই। কিয় নাই বুলি আঁঠু, চকু আদি কাঢ়ি প্ৰাণ পৰ্যন্ত নাশ কৰি থৈ যায়। সৰ্বভক্ষ মানহঁতে গৰু, ঘোঁৰা, কুকুৰ আদি জীৱ জন্তু য'ত যি দেখেতাকেই ধৰি লৈ যায়। নাৰী ধৰ্ষণ আৰু বিনা কাৰণে ঘৰ-ভঁৰালত অগ্নি সংযোগ কৰি পিশাচহঁতে ভাল পায়।" (পৃষ্ঠা ৪৭)

সুঠাম ডেকাল'ৰা আৰু গাভৰুবোৰক দাস বনাবলৈ লগত লৈ গৈছিল। বেলং গাৱঁত আক্ৰমণ কৰি মানসেনাই সকলোকে হত্যা কৰিলে। য়াকা দেখিবলৈ ধুনীয়া আছিল বাবে মানে তাইক হত্যা নকৰি লগত বন্দী কৰি লৈ গৈছিল। মানে এনেকৈ গাঁৱবোৰ আক্ৰমণ কৰি সুঠামডেকা আৰু গাভৰুবোৰক বন্দী কৰি লগত নিছিলে। ডেকাবোৰক কামত খটুৱাইছিল।

"গাভৰুহঁতৰ বাবে আছুতীয়া ৰখা কোঠাত সিঁহতকো সুমুৱাই দিলে। একেদৰে ডেকাহঁতকো সিঁহতৰ বাবে ৰখা কোঠাত সুমুৱালে। বন্দী কৰি ৰখা ডেকা-গাভৰুহঁতকো শিবিৰটোত কামত খটুৱাই আছে। পানী অনা খৰিফলা আদি কামত ডেকাহঁতক আৰু ৰন্ধা-বঢ়া কামত গাভৰুহঁতক লগাইছেহি।" (পৃষ্ঠা ৭১)

মানৰ আক্ৰমণৰ সুবিধা লৈ নিজৰ মানুহেও মানৰ দৰে বেশধৰি গাঁৱত আক্ৰমণ চলাইছিল। সিহঁত দলবদ্ধভাৱে গাঁৱত আক্ৰমণ কৰি হত্যালীলা, লুটপাত .মহিলাক ধৰ্ষণ ,অগ্নিসংযোগ কৰি ধবংস যজ্ঞ কৰিছিল।

"হেৰা মানৰ সেনা বেশ ধৰি অহা এদল থলুৱা দুৰ্বত্তই গাঁৱখনত হত্যা-লুণ্ঠন কৰি গ'ল। দুৰ্বত্তহঁতৰ নাৰী ধৰ্ষণ আৰু অত্যাচাৰ মাত্ৰা অন্য লুণ্ঠনকাৰীতকৈ কোনো গুণে ক'ম নাছিল।" (পৃষ্ঠা ৬৯)

**৬.০০ উপসংহাৰ**

য়াকা মিৰেম উপন্যাসখনত মানৰ অসম আক্ৰমণৰ লগতে মিছিং জনজাতিৰ বহুখিনি তথ্য পোৱা যায়। মিছিংসকলৰ মাজত প্ৰচলিত লোকগাথাৰ পটভূমিত উপন্যাসখন ৰচনা কৰি উপন্যাসিকে পাঠকৰ মাজত তুলি দাঙি ধৰিবলৈ চেষ্টা কৰিছে। য়াকা মিৰেমৰ ত্যাগ আৰn ,বীৰত্বৰ কাহিনী উপন্যাসখনৰ মাজেদি সুন্দৰকৈ চিত্ৰিত কৰা হৈছে। কলা-কৌশলৰ দিশৰ ফালৰ পৰা য়াকা মিৰেমক উপন্যাসৰ সলনি উপন্যাসিকা বুলিহে ক'ব পাৰি। তাৰ মাজতে মিছিং বীৰাংগনা য়াকা মিৰেম জীৱনৰ

পটভূমিত ৰচিত প্ৰথমখন উপন্যাস হিচাপে অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত এটি উল্লেখযোগ্য স্থান অধিকাৰ কৰি থাকিব।

**গ্ৰন্থপঞ্জীঃ**

পেগু, দেবেন। য়াকা মিৰেম। প্ৰকাশক যোগেশ্বৰ পেগু। ওপৰ খামন। ঢকুৱাখানা।২০১১।

দলে, বসন্ত কুমাৰ। মিচিং সমাজ-সংস্কৃতিৰ সমীক্ষা। চন্দ্ৰ প্ৰকাশ। পাণবজাৰ। গুৱাহাটী। ২০০৮।

বেগম, চেনেহী (অনুবাদ]। অসম বুৰঞ্জী চাৰ এডোৱাৰ্ড গেইট। লয়াৰ্ছ বুক ষ্টল। গুৱাহাটী। ২০১৮।

ৰাজকুমাৰ, সৰ্বানন্দ। ইতিহাসে সোঁৱৰা ছশটা বছৰ। বনলতা। পাণবজাৰ। গুৱাহাটী । ২০০০।